# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-06-2026
**Time :** 18-45 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। নতুন দিল্লীত ৰাষ্ট্ৰপতিৰ সৈতে হোৱা সাক্ষাৎকালত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দ্ৰুত বিকশিত ৰাজ্য হিচাপে অসমৰ সাফল্য তথা ভৱিষ্যত পৰিকল্পনাৰ বিষয়ে আলোচনা।

২। ৰাজ্য চৰকাৰ আৰু বস্ত্ৰ মন্ত্ৰালয়ে অসমৰ মুগা শিল্পৰ উত্তৰণৰ বাবে প্ৰণালীবদ্ধভাৱে কাম কৰি আছে বুলি বস্ত্ৰ দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ প্ৰকাশ।

৩। উমৈহতীয়া দেৱানী বিধিৰ বিষয়ে জনসাধাৰণক অৱগত কৰাৰ লক্ষ্যৰে আজি ৰাজ্যৰ বিভিন্ন ঠাইত জিলা বিজেপিৰ সংবাদমেল।

৪। কৰ্ণাটকৰ কংগ্ৰেছ বিধায়িনী দলৰ নেতা ডি কে শিৱকুমাৰৰ ৰাজ্যখনৰ ২৫ সংখ্যক মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ। ***আৰু***

৫। শ্বিলঙত কাইলৈ উত্তৰ-পূৰ্ব পৰিষদৰ ৭৩ সংখ্যক পূৰ্ণাংগ অধিবেশন।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে। ড০ শৰ্মাই দেশৰ দ্ৰুততম বিকাশশীল ৰাজ্যসমূহৰ অন্যতম হিচাপে অসমে লাভ কৰা সাফল্য আৰু অনাগত দিনত এই যাত্ৰা অধিক শক্তিশালী কৰাৰ নীতি পৰিকল্পনাৰ বিষয়ে ৰাষ্ট্ৰপতিগৰাকীক অৱগত কৰে। অসমৰ মুখ্যমন্ত্ৰী হিচাপে দ্বিতীয়বাৰৰ বাবে দায়িত্বভাৰ গ্ৰহণৰ পাছত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰ সৈতে এইয়া আছিল ড০ শৰ্মাৰ প্ৰথমটো সাক্ষাৎ। সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই বিষয়ে সদৰি কৰি মুখ্যমন্ত্ৰীয়ে শ্ৰীমতী মুৰ্মুক সাহস, ধৈৰ্য্য আৰু নেতৃত্বৰ প্ৰতীক বুলি উল্লেখ কৰে। ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে মত বিনিময় কৰাটো সদায়ে এটা প্ৰেৰণাদায়ক অভিজ্ঞতা বুলিও তেওঁ কয়। সাক্ষাৎকালত ড০ শৰ্মাই দ্বিতীয়বাৰৰ বাবে দায়িত্বগ্ৰহণৰ পাছত অসমত উন্নয়নৰ যাত্ৰাৰ বিষয়ে ৰাষ্ট্ৰপতিগৰাকীক অৱগত কৰে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক সাক্ষাৎ কৰে আৰু গুৱাহাটীত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান, আই আই এম স্থাপনৰ কাম-কাজ দ্ৰুতগতিত আগবাঢ়িছে বুলি প্ৰকাশ কৰে। ড° শৰ্মাই শিক্ষামন্ত্ৰীগৰাকীৰ সৈতে ৰাজ্যৰ শিক্ষাৰ আন্তঃগাঁথনি শক্তিশালী কৰা আৰু অসমক উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টা সন্দৰ্ভত আলোচনা কৰে। ড° শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰি তেওঁৰ সৈতে পথ পৰিবহণ বিষয়ত বিভিন্ন কথা আলোচনা কৰে। তেওঁ লগতে কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী জিতিন প্ৰসাদাৰ সৈতেও আলোচনাত মিলিত হয়।

মুখ্যমন্ত্ৰীগৰাকী কিছুসময় পূৰ্বে তেওঁৰ দিল্লী ভ্ৰমণ সামৰি অসমলৈ ঘূৰি আহিছে। তেওঁ এই ভ্ৰমণে অহা ৫ বছৰত দ্বৈত ইঞ্জিন চৰকাৰে ৰাজ্যৰ উন্নয়নৰ যাত্ৰাক অধিক গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

ooooo

ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰালয়ে অসমৰ মুগা শিল্পৰ উত্তৰণৰ বাবে প্ৰণালীবদ্ধভাৱে কাম কৰি আছে বুলি বস্ত্ৰ দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই প্ৰকাশ কৰিছে। অসমৰ বাচকবনীয়া মুগা শিল্পৰ প্ৰসাৰ আৰু বিকাশৰ বাবে ৪০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে কালি মুকলি কৰা **চেনেহজৰী** শীৰ্ষক অভিযান সন্দৰ্ভত নতুন দিল্লীত আজি এখন সংবাদমেলত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত বিগত ১২ বছৰত মুগাৰ

উৎপাদন ১০ হাজাৰ মেট্ৰিকটন বৃদ্ধি পাইছে। তেওঁ কয় যে মুগাৰ সৈতে জড়িত কৃষকৰ পৰা শিপিনীসকলকে সামৰি ক্ষেত্ৰখনৰ উত্তৰণৰ বাবে ড'নাৰ মন্ত্ৰালয় আৰু অসম চৰকাৰৰ যৌথ প্ৰচেষ্টাত আৰম্ভ কৰা এই প্ৰকল্পত ৰাজ্য চৰকাৰে ৪৬ কোটি টকা বিনিয়োগ কৰিব আৰু কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰালয় তথা কেন্দ্ৰীয় ৰেচম পৰিষদৰ ৫৫ কোটি টকাৰ অৰিহণা থাকিব। ৩৩ মাহৰ ভিতৰত এই প্ৰকল্প সম্পূৰ্ণ কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে অসমত বাৰ্ষিক মুগা উৎসৱৰ আয়োজন কৰা হ'ব আৰু ঢকুৱাখনা তথা লখিমপুৰত ৰেচম পৰ্যটন উদ্যান স্থাপন কৰা হ'ব।

বাইট

ooooo

ৰাজ্যত বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি পৰহিলৈ প্ৰায় এক কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। আত্মসহায়ক গোটৰ ৩৫ লাখতকৈ অধিক মহিলাক এই অভিযানৰ সৈতে জড়িত কৰোৱা হ'ব। ৰাজ্য চৰকাৰে বৃহৎ পৰিসৰৰ বনানিকৰণ, স্বচ্ছ শক্তিৰ প্ৰসাৰ আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে পৰিৱেশ সুৰক্ষা আৰু বহনক্ষম উন্নয়নক অগ্ৰাধিকাৰ দিয়াৰ বাবে এই পদক্ষেপ লৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে আত্মসহায়ক গোটৰ সদস্যাসকলে ৰাজ্যজুৰি এই পদক্ষেপত অংশগ্ৰহণ কৰি অকল সেউজ অসম গঢ়াৰ দিশতেই নহয় বৰং পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত নাৰী শক্তি অদম্য নেতৃত্ব আৰু দায়বদ্ধতাৰো উজ্বল নিৰ্দশন দাঙি ধৰিব।

সমগ্ৰ শিক্ষা অসমে বিশ্ব পৰিবেশ দিৱসৰ সৈতে সংগতি ৰাখি কেতবোৰ কাৰ্যকলাপ গ্ৰহণ কৰিবলৈ সকলো জিলাৰ জিলা মিছন সমন্বয়ক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰিছে। সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালক ওম প্ৰকাশে প্ৰেৰণ কৰা এই পত্ৰত উল্লেখ কৰা অনুসৰি বিশ্ব পৰিবেশ দিৱসৰ সৈতে সামঞ্জস্য ৰাখি পৰহিলৈৰ পৰা ৩০ জুনলৈ ইকো ক্লাবছ ফৰ মিছন লাইফৰ পৃষ্ঠপোষকতাত সেউজ গ্ৰীষ্ম শিবিৰ অনুষ্ঠিত কৰা হ'ব। সুস্থ জীৱনশৈলী গ্ৰহণ, বহনক্ষম খাদ্যপ্ৰণালী, ই আৱৰ্জনা হ্ৰাস, একবাৰ ব্যৱহাৰ্য প্লাষ্টিক বৰ্জন আদি বিষয় লৈ এই শিবিৰ আয়োজন কৰা হ'ব। পত্ৰখনত লগতে প্ৰতিখন বিদ্যালয়ত মাতৃৰ নামত এজোপা গছ শীৰ্ষক কাৰ্যসূচীৰ তৃতীয় সংস্কৰণ ৰূপায়ণ কৰিবলৈ কোৱা হৈছে। ইয়াৰ জৰিয়তে ২৮ লাখ ৩৪ হাজাৰ ২৩২ টা গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। বিদ্যালয়ত পৰ্যাপ্ত স্থানৰ অভাৱ হ'লে ঘৰ, ৰাস্তাৰ কাষত, ৰাজহুৱা স্থানত গছপুলি ৰোপণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। মিছন সঞ্চালক ওম প্ৰকাশে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু স্থানীয় লোকৰ সহযোগত বিশ্ব পৰিবেশ দিৱসৰ কাৰ্যকলাপ সকলো বিদ্যালয়ত পালন কৰিবলৈ আহ্বান জনাইছে।

ooooo

উমৈহতীয়া দেৱানী বিধিৰ বিষয়ে জনসাধাৰণক অৱগত কৰাৰ লক্ষ্যৰে আজি ৰাজ্যৰ বিভিন্ন ঠাইৰ জিলা বিজেপিৰ কাৰ্যালয়ত সংবাদমেল অনুষ্ঠিত হয়।

চৰাইদেউ জিলাৰ বিজেপিৰ কাৰ্যালয়তো আজি এই সন্দৰ্ভত এখন সংবাদমেল অনুষ্ঠিত হয়। ইয়াৰ জৰিয়তে উমৈহতীয়া দেৱানী বিধিৰ উদ্দেশ্য, প্ৰয়োজনীয়তা আৰু ভৱিষ্যতে সমাজ জীৱনত ইয়াৰ ইতিবাচক প্ৰভাৱ সন্দৰ্ভত আলোকপাত কৰা হয়। সংবাদমেলত ৰাজ্যসভাৰ সাংসদ যোগেন মহন, সোণাৰীৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ আৰু দলৰ মুখপাত্ৰ মনোজ ধানোৱাৰে উমৈহতীয়া দেৱানী বিধিৰ বিভিন্ন দিশ সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়।

**-বাইট-**

নগাওঁ জিলা বিজেপিৰ কাৰ্যালয়ত আয়োজিত সংবাদমেলত ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ৰঞ্জিৱ কুমাৰ শৰ্মাই উমৈহতীয়া দেৱানী বিধিৰ সন্দৰ্ভত বিভিন্ন তথ্য দাঙি ধৰে। তেওঁ এই দেৱানী বিধিক খিলঞ্জীয়াৰ ৰক্ষাকৱচ তথা নাৰীৰ অধিকাৰ আৰু সাহসৰ দলিল বুলি মন্তব্য কৰে।

তামুলপুৰ জিলা বিজেপিৰ কাৰ্যালয়ত আয়োজিত সংবাদমেলত ৰাজ্যিক বিজেপিৰ মিডিয়া পেনেলিষ্ট আশিষ ভৰালীয়ে উমৈহতীয়া দেৱানী বিধিৰ বিভিন্ন কাৰ্যকৰী দিশ সন্দৰ্ভত বিস্তৃতভাৱে ব্যাখ্যা কৰে। বহুবিবাহৰ দৰে স্পৰ্শকাতৰ বিষয়ত আইনগত সংস্কাৰৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি শ্ৰীভৰালীয়ে উমৈহতীয়া দেৱানী বিধিয়ে দেশৰ সকলো নাগৰিকক সমঅধিকাৰ প্ৰদান

কৰিব বুলি প্ৰকাশ কৰে। বিশেষকৈ ইছলাম ধৰ্মীয় মহিলাসকলক বিবাহ, বিবাহ বিচ্ছেদ, ভৰণ-পোষণ আৰু সম্পত্তিৰ অধিকাৰৰ ক্ষেত্ৰত ই আইনী সুৰক্ষা প্ৰদান কৰিব বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০

তামুলপুৰ জিলাৰ কুমাৰপাৰাত আজি প্ৰধানমন্ত্ৰী কৃষি জলসিঞ্চন যোজনাৰ দ্বিতীয় পৰ্যায়ৰ অধীনত এটা সামূহিক পুখুৰী প্ৰকল্পৰ নিৰ্মাণ কাৰ্যৰ উদ্বোধন কৰা হয়। বাক্সাৰ মুছলপুৰ ভূমি সংৰক্ষণ সংমণ্ডলৰ উদ্যোগত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত বি টি চিৰ উপাধ্যক্ষ বিজিৎ গৌড়া নাৰ্জাৰী উপস্থিত থাকে। এই সামূহিক পুখুৰী প্ৰকল্পই অঞ্চলটোৰ জলসম্পদ সংৰক্ষণৰ উপৰি স্থানীয় কৃষকসকলক কৃষি কাৰ্যত যথেষ্ট সহায় কৰিব বুলি শ্ৰীনাৰ্জাৰীয়ে উল্লেখ কৰে। তদুপৰি এই প্ৰকল্পই মীন পালনত সহায় কৰাৰ লগতে কুমাৰপাৰা আৰু পলাশগুৰি চুবা অঞ্চলৰ পানী নাটনিও দূৰ কৰিব বুলি আশা কৰা হৈছে।

বাইট- (বিজিৎ গৌড়া নাৰ্জাৰী)

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ শুনানি কাইলৈ গ্ৰহণ কৰিব। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠত অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনখন শুনানিৰ বাবে তালিকাভুক্ত কৰা হৈছে। ইপিনে অভিযুক্তগৰাকীৰ মহাবীৰ একুৱা নামৰ ব্যৱসায় প্ৰতিষ্ঠানটো জব্দ কৰিবলৈ ফাষ্টট্ৰেক আদালতে দিয়া নিৰ্দেশক প্ৰত্যাহ্বান জনাই চেতন ধীৰাচৰিয়া নামৰ এজন লোকে উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদনখনৰ সন্দৰ্ভতো কাইলৈ শুনানি গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে, এই ব্যক্তিগৰাকীৰ সৈতে যৌথ অংশীদাৰিত্বৰে অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাই মহাবীৰ একুৱা নামৰ ব্যৱসায় প্ৰতিষ্ঠানটো স্থাপন কৰিছিল। জুবিন গাৰ্গৰ পৰা লুণ্ঠন কৰা ধনেৰে এই প্ৰতিষ্ঠানটো স্থাপন কৰাৰ অভিযোগত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে এই প্ৰতিষ্ঠানটো জব্দ কৰিবলৈ আৰক্ষীক অনুমতি প্ৰদান কৰিছিল।

০০০০০

অসমীয়া সাহিত্যৰ উজ্বল নক্ষত্ৰস্বৰূপ ড০ লক্ষ্মী নন্দন বৰাৰ আজি পুণ্যতিথি। গৱেষণালব্ধ সৃষ্টিশীল প্ৰতিভাৰে সাহিত্য জগতক অনন্য শিখৰলৈ লৈ যোৱা ড০ বৰাই **ভাওনা** গল্পটিৰে লেখক হিচাপে আত্মপ্ৰকাশ কৰিছিল। ড০ বৰাই বহুতো অমূল্য গ্ৰন্থ সম্ভাৰেৰে অসমীয়া সাহিত্যক সমৃদ্ধি কৰি থৈ গৈছে আৰু পঢ়ুৱৈৰ মনত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। তেওঁ সাহিত্যৰ মাজেৰে সমাজ, মানুহৰ জীৱন সংগ্ৰাম, মূল্যবোধ আৰু সময়ৰ স্পন্দনক অনন্য দক্ষতাৰে ৰূপায়িত কৰিছিল। ড০ লক্ষ্মী নন্দন বৰাৰ কালজয়ী উপন্যাসসমূহৰ ভিতৰত **পাতাল ভৈৰৱী, কায়কল্প, গঙা চিলনীৰ পাখি** অন্যতম। সাহিত্যিকগৰাকীক **পাতাল ভৈৰৱী** গ্ৰন্থৰ বাবে ১৯৮৮ চনত সাহিত্য একাডেমী বঁটা আৰু **কায়কল্পৰ** বাবে সৰ্বভাৰতীয় সৰস্বতী সন্মান প্ৰদান কৰা হৈছিল। তেওঁক ২০১৫ চনত পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰা হৈছিল। ড০ বৰাই ১৯৯৬-৯৭ চনত অসম সাহিত্য সভাৰ সভাপতি আসনো অলংকৃত কৰিছিল।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পুণ্যতিথি উপলক্ষে সাহিত্যিকগৰাকীক শ্ৰদ্ধাৰে সুঁৱৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তা ড০ শৰ্মাই কয়, যে সৰস্বতী সন্মানপ্ৰাপক বৰাদেৱৰ সাহিত্যকৰ্ম, চিন্তা আৰু আদৰ্শ নতুন প্ৰজন্মৰ পৰা সদায় প্ৰেৰণাৰ অম্লান উৎস হৈ থাকিব।

০০০০০

উত্তৰ-পূৱ পৰিষদৰ ৭৩ সংখ্যক পূৰ্ণাংগ অধিবেশন কাইলৈ মেঘালয়ৰ ৰাজধানী শ্বিলঙত অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা উত্তৰ পূৱ পৰিষদৰ অধ্যক্ষ অমিত শ্বাহৰ সভাপতিত্বত হ'বলগীয়া এই বৈঠকত অঞ্চলটোৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ উন্নয়নৰ বাবে গঠন কৰা মুখ্যমন্ত্ৰী উচ্চ পৰ্যায়ৰ কাৰ্যবাহিনীয়ে লাভ কৰা অগ্ৰগতিৰ বিষয়ে আলোচনা কৰা হ'ব। অধিবেশনত পৰ্যটন, কৃষি আৰু উদ্যানশস্য, বিনিয়োগৰ প্ৰসাৰ, অৰ্থনৈতিক কৰিডৰৰ উন্নয়ন, আন্তঃগাথনি আৰু যোগাযোগ তথা হস্ততাঁত আৰু হস্তশিল্প সন্দৰ্ভত উপস্থাপন কৰা হ'ব।

০০০০০

তিৱা স্বায়ত্ব পৰিষদৰ উদ্যোগত মৰিগাঁৱত আজি হিতাধিকাৰীৰ মাজত কৃষি, হস্ততাঁত, কুটীৰশিল্প আদিকে ধৰি বিভিন্ন ক্ষেত্ৰত প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰা হয়। তিৱা স্বায়ত্ব পৰিষদৰ অধীনৰ বহু কেইটা বিভাগৰ উন্নয়ন পুঁজিৰ জৰিয়তে ৩৬টা পৰিষদীয় সমষ্টিৰ হিতাধিকাৰীসকলক এই সামগ্ৰী বিতৰণ কৰা হয়। পৰিষদৰ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ উন্নয়ন পুঁজিৰ কৃষি ক্ষেত্ৰৰ পৰা ২০০ টা পাৱাৰ পাম, এহেজাৰ ৬৭ টা ঔষধ ছতিওৱা মেচিন, জনস্বাস্থ্য কাৰিকৰী ক্ষেত্ৰৰ পৰা ৪৭৬টা দমকল, হস্ততাঁত ক্ষেত্ৰৰ পৰা বিভিন্ন ৰঙৰ ৫হাজাৰ ৮৮০ কিলোগ্ৰাম থাইলেণ্ড সুতা, এহেজাৰ ২০ মুঠি কঁপাহী সুতা, কুটীৰশিল্প ক্ষেত্ৰৰ পৰা ৩৭০টা চিলাই মেচিন, স্বাস্থ্য ক্ষেত্ৰৰ পৰা ছহেজাৰ ৪৭৬ খন আঠুৱা, পৰিবহন ক্ষেত্ৰৰ পৰা ৫০৬খন চাইকেল, সমাজ কল্যাণ ক্ষেত্ৰৰ পৰা এহেজাৰ ৮১৮খন তিৰ্পাল আৰু ক্ৰীড়া ক্ষেত্ৰৰ পৰা এহেজাৰ ৪৭০টা ফুটবল হিতাধিকাৰীসকলৰ মাজত বিতৰণ কৰা হয়।

০০০০০

ডিব্ৰুগড় জিলা আয়ুক্তৰ সভাকক্ষত আজি পথ সুৰক্ষা সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ অধ্যক্ষতাত অনুষ্ঠিত সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত পথ সুৰক্ষা বৃদ্ধি আৰু জনসাধাৰণৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে দিয়া নিৰ্দেশনা আৰু দিহা পৰামৰ্শসমূহৰ ওপৰত আলোচনা কৰা হয়। বৈঠকত জিলা আৰক্ষী অধীক্ষক অভিজিত গৌৰৱ দিলিপৰ লগতে অতিৰিক্ত জিলা আয়ুক্ত, জিলা পৰিবহন বিষয়া, যান-বাহন আৰক্ষীৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে। জিলাখনত পথ সুৰক্ষাৰ বাবে যান-বাহন ব্যৱস্থাপনা, পথ সুৰক্ষাৰ নিয়ম বলবৎ কৰা, দুৰ্ঘটনা প্ৰতিৰোধ আৰু সজাগতাৰ সৃষ্টিৰ লগতে বিভিন্ন বিভাগৰ মাজত সমন্বয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

০০০০০

ঃঃ সমাপ্ত ঃঃ